# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
Headlines

১। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা ৯ অক্টোবৰলৈ নেৰানেপেৰা বৰষুণ হৈ থাকিব বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ সতৰ্কবাণী।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আজি মাজুলীৰ শ্ৰীৰাম চাপৰিত ৫০খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় মুকলি।

৩। ছিকিমত আকস্মিক বানত আবদ্ধ হৈ পৰা অসমৰ ১৬০ গৰাকী শিক্ষাৰ্থীক উদ্ধাৰৰ বাবে ৰাজ্য চৰকাৰৰ দুজন জ্যেষ্ঠ বিষয়া প্ৰেৰণ।

৪। এছিয়ান গেমছত ভাৰতৰ ২৫টা সোণসহ শততম পদক অৰ্জন। অন্তিমদিনা মহিলাৰ কাবাদীত ভাৰতৰ ৰূপৰ পদক জয়।

*আৰু*

৫। আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া দুখন খেলৰ এখনত আফগানিস্তান বাংলাদেশৰ আৰু আনখনত দক্ষিণ আফ্ৰিকা শ্ৰীলংকাৰ মুখামুখি।

০০০০০০০০০

বৰঝাৰত থকা আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি ৯ অক্টোবৰলৈ ৰাজ্যৰ বিভিন্ন স্থানত নেৰানেপেৰা বৰষুণ হৈ থাকিব। বতৰ বিজ্ঞান কেন্দ্ৰটোৱে ৰাজ্যৰ বহুকেইখন জিলাত ৰেড এলাৰ্ট আৰু য়েলো এলাৰ্ট জাৰি কৰিছে। গুৱাহাটীকে ধৰি ৰাজ্যৰ কেইবাখনো জিলাত বজ্ৰপাতৰ সৈতে আকাশ ডাৱৰীয়া হৈ থাকিব বুলি কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে। বঙাইগাওঁ, ধুবুৰী, গোৱালপাৰা, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ডিমা হাচাও জিলাত অত্যাধিক বৰষুণৰ আশংকাৰে ৰেড এলাৰ্ট জাৰি কৰা হৈছে। আনহাতে, কোকৰাঝাৰ, চিৰাং, বাক্সা, বৰপেটা, নলবাৰী, ওদালগুৰি, দৰং, কামৰূপ মহানগৰ, মৰিগাওঁ, নগাওঁ, লখিমপুৰ, ধেমাজী, তিনিচুকীয়া, কাৰ্বি আংলং, কাছাৰ, কৰিমগঞ্জ জিলাত হালধীয়া সতৰ্ক জাৰি কৰিছে।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাজুলীৰ শ্ৰীৰাম চাপৰিত আজি ৫০খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় মুকলি কৰিব। এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, সাংসদ তপন কুমাৰ গগৈ, মাজুলীৰ বিধায়ক ভূবন গাম আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অৱিনাশ যোশী উপস্থিত থাকিব। এই আয়ুৰ্বেদিক চিকিৎসালয়খনে মাজুলীবাসীক চিকিৎসাৰ ক্ষেত্ৰত বহুখিনি সকাহ দিব বুলি আশা কৰা হৈছে। ০০০০০০০০০

০০০০০০০

শিক্ষা সেতু এপৰ জৰিয়তে ৰাজ্যত দৈনিক এক লাখ ৯০ হাজাৰ শিক্ষক শিক্ষয়িত্ৰীয়ে উপস্থিতিৰ তথ্য সন্নিবিষ্ট কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বৰপেটাত কালি শিক্ষা বিভাগৰ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি এই থথ্য প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে ৩ অক্টোবৰৰ পৰা ৰাজ্যৰ শিক্ষা খণ্ডত বাধ্যতামূলকভাৱে প্ৰৱৰ্তন কৰা শিক্ষাসেতু এপৰ সন্দৰ্ভত সাংবাদিকৰ সৈতে মত বিনিময় কৰে। ৰাজ্যত কালিৰ দিনটোত ৯০ শতাংশ ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত থকা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বৰপেটা জিলাৰো তথ্য দাঙি ধৰে। জিলাখনত কৰ্মৰত মুঠ এঘাৰ হাজাৰ ৭৫৮ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ ভিতৰত এহেজাৰ ১৬৫ গৰাকী কালি বিদ্যালয়ত অনুপস্থিত থাকে। এই সন্দৰ্ভত অনুসন্ধান কৰিবলৈ বৰপেটাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিদ্যালয় শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। ড০ পেগুৱে জিলাখনৰ অন্যান্য উন্নয়নমূলক কাম-কাজৰ এখন পৰ্যালোচনা বৈঠকতো ভাগ লয়। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে কলগাছিয়াত তিতাপানী গাওঁ পঞ্চায়তত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। ডাঃ পেগুৱে ৰূপচী উন্নয়ন খণ্ডত নিৰ্মাণ কৰিবলগীয়া ১৩ টা অঙ্গনৱাড়ী কেন্দ্ৰৰো অধাৰশিলা কৰে। ০০০০

০০০০০০০

ৰাজ্য চৰকাৰে ছিকিমত আকস্মিক বানত আবদ্ধ হৈ পৰা অসমৰ শিক্ষাৰ্থীসকলক উদ্ধাৰৰ বাবে দুজন জ্যেষ্ঠ বিষয়া প্ৰেৰণ কৰিছে। ছিকিমৰ ৰংপো আৰু মাজিতৰ অঞ্চলত অসমৰ ১৬০ গৰাকী শিক্ষাৰ্থী আবদ্ধ হৈ থকা বুলি অৱগত হোৱাৰ পাছতে ৰাজ্য চৰকাৰে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে।

ইফালে কেন্দ্ৰীয় চৰকাৰে বানপীড়িত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য প্ৰদানত অনুমতি জনাইছে। এই ধনৰাশি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা ২০২৩-২৪ বৰ্ষৰ বাবে ৰাজ্যখনলৈ আগবঢ়াইছে। গৃহ মন্ত্ৰালয়ে আকস্মিক বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিবলৈ আন্তঃমন্ত্ৰালয়ৰ কেন্দ্ৰীয় দল গঠন কৰিছে। মন্ত্ৰালয়ে জনোৱা মতে দলটোৱে অতি সোনকালে ৰাজ্যৰ ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু ইয়াৰ মূল্যায়নৰ ভিত্তিত ছিকিমলৈ অতিৰিক্ত কেন্দ্ৰীয় সাহায্যত অনুমোদন জনোৱা হ'ব।

ইফালে পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ সময়মতে ৰচদ-পাতিৰ সাহায্য আগবঢ়াইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ভাৰতীয় বায়ুসেনাৰ হেলিকপ্টাৰ আৰু সেনাজোৱানৰ পৰ্যাপ্ত দলৰ লগতে প্ৰয়োজনীয় অনুসন্ধান আৰু উদ্ধাৰৰ সঁজুলিও প্ৰেৰণ কৰা হৈছে। ইপিনে, ছিকিমৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এটা নিৰ্দেশনাৰ জৰিয়তে জনসাধাৰণক তিস্তা নদীৰ অৱবাহিকাত গুলী-বাৰুদকে ধৰি আন বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হ'লে সেইসমূহ ততালিকে ৰাজ্যিক তাৎক্ষণিক অভিযান কেন্দ্ৰ অথবা জিলা আয়ুক্তৰ কাৰ্যালয়ত জমা দিবলৈ আহ্বান জনায়।

০০০০

ৰাজ্যৰ শিক্ষা বিভাগৰ বিভিন্ন সঞ্চালকালয়ৰ অধীনত গুৱাহাটীত আজি ৩১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই নিযুক্তি সমাৰোহত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত প্ৰাথমিক শিক্ষা বিভাগত ২৪১ গৰাকী দিব্যাংগ প্ৰাৰ্থী, উচ্চ শিক্ষাত সহকাৰী অধ্যাপক আৰু অন্যান্য পদত ২৭ গৰাকী আৰু এছ চি ই আৰ টিৰ বিভিন্ন পদত ৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। ০০০০০

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত কালি সমাগত খেল মহাৰণৰ ল'গ', খেলৰ জাৰ্চি আৰু শীৰ্ষ সংগীত উদ্বোধন কৰে। লগতে খেল মহাৰণৰ শুভংকৰ প্ৰতীক দ'দান মুকলি কৰা হয়। শীৰ্ষ সংগীতত কণ্ঠদান কৰিছে জুবিন গাৰ্গে।

ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত হ'বলগীয়া এই খেল মহাৰণ অহা ১ নৱেম্বৰৰ পৰা ১০ জানুৱাৰীলৈ সমগ্ৰ ৰাজ্যজুৰি অনুষ্ঠিত হ'ব। এই খেল মহাৰণত ৫ টা ক্ৰীড়া শাখাত প্ৰায় ৫০ লাখ ক্ৰীড়াবিদে অংশগ্ৰহণ কৰিব। ৰাজ্যৰ ক্ৰীড়া সন্থা, স্থানীয় যুৱ সংঘ, প্ৰবীন আৰু জ্যেষ্ঠ ক্ৰীড়াবিদসকলক যৌথ কৰি এই ক্ৰীড়া প্ৰতিযোগিতা আয়োজন কৰা হ'ব। প্ৰতিযোগিতাসমূহ গাওঁ পঞ্চায়ত আৰু পৌৰ নিকায়, বিধানসভা সমষ্টি, জিলা আৰু ৰাজ্যিক এই ৪ টা পৰ্যায়ত অনুষ্ঠিত হ'ব। ৰাজ্যিক পৰ্যায়ৰ খেলসমূহ গুৱাহাটী, ডিব্ৰুগড়, শোণিতপুৰ, কোকৰাঝাৰ, শিলচৰ আৰু ডিফুত অনুষ্ঠিত হ'ব। এই খেল মহাৰণত এথলেটিকছ্‌, ফুটবল, কাবাডী, ভলীবল আৰু খো খো এই ৫ বিধ খেল সামৰি লোৱা হৈছে। প্ৰতিযোগিতাসমূহ ১৯ বছৰ অনুৰ্ধৰ পুৰুষ আৰু মহিলা আৰু ১৯ বছৰৰ উৰ্ধৰ পুৰুষ আৰু মহিলাৰ বাবে পৃথকে পৃথকে ৪ টা শাখাত অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ, ২০২৩ৰ বাবে মনোনয়ন আহ্বান কৰিছে। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে দৈনন্দিন জীৱনৰ নায়কসকললৈ এই সন্মান প্ৰদান কৰা হয়। জনসাধাৰণে নিজৰ নাম বা সমাজ জীৱনলৈ পৰিবৰ্তন অনা অন্য কোনো ব্যক্তিৰ নাম এই বঁটাৰ বাবে মনোনীত কৰিব পাৰে। assamcivilianawards.assam.gov.in পৰ্টেলযোগে অথবা জিলা আয়ুক্তৰ যোগেদি লাভ কৰা মনোনয়নহে এই বঁটাৰ বাবে যোগ্য বিবেচিত হ'ব বুলি এটা চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।অহা ৩১ অক্টোবৰৰ ভিতৰত নিৰ্দিষ্ট পৰ্টেলৰ জৰিয়তে মনোনয়ন দাখিল কৰিব লাগিব।০০০০০

০০০০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কালি চিৰাং জিলাৰ ভৱানীপুৰত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। যাত্ৰাৰ শেষত অনুষ্ঠিত সভাত অংশ লৈ চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে মেৰা মাটি মেৰা দেশ কাৰ্যসূচীৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। এই অমৃত কলহ যাত্ৰাত মন্ত্ৰীগৰাকীৰ লগতে চিৰাং জিলাৰ আয়ুক্ত আৰু চিডলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী উপস্থিত থাকে।

নগাওঁ জিলাতো কালি মেৰী মাটি মেৰা দেশ অভিযানৰ অধীনত অমৃত কলহ যাত্ৰাৰ আয়োজন কৰা হয়। জিলাখনৰ বটদ্ৰৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত চহৰীয়া গাঁও পঞ্চায়তত অনুষ্ঠিত এই কাৰ্যসূচীত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ উপস্থিত থাকে। এহাজাৰৰো অধিক লোকে অংশগ্ৰহণ কৰা এই অমৃত কলহ শোভাযাত্ৰাত জিলাখনৰ আৰক্ষী অধীক্ষক নৱনিত মহন্তইও অংশগ্ৰহণ কৰে। যাত্ৰাৰ শেষত সংগৃহীত মাটিখিনি চহৰীয়া গাঁও পঞ্চায়তত জমা কৰা হয়। মৰিগাঁও জিলাৰ কোঁৱৰগাঁৱতো অমৃত কলহ যাত্ৰা আয়োজন কৰা হয়। মৰিগাঁও জিলা তিৱা স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত স্থানীয় ৰাইজৰ লগতে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে অংশগ্ৰহণ কৰে। ০০০০০

০০০০০০০

ইউনেস্কোৰ উত্তৰ পূৱ এছিয়াৰ বিশেষজ্ঞ প্ৰতিনিধি ছিংগাপুৰৰ লিম চিং ছিয়াঙৰ নেতৃত্বত বিশেষজ্ঞৰ এটা দল আজি ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰত উপস্থিত হ'ব। বিশেষজ্ঞৰ দলটোৱে ৩ দিন মৈদাম ক্ষেত্ৰত তথ্য আৰু সমল সংগ্ৰহৰ লগতে মৈদামৰ ঐতিহাসিক গুৰুত্ব বিচাৰ কৰি প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনৰ আধাৰত চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাটো নিৰ্ভৰ কৰিব। ইতিমধ্যে মৈদামস্থলীত থকা ২৮ টা মৈদাম ছাফ চিকুণ কৰি তোলা হৈছে। ইউনেস্কোৰ এই বিশেষ প্ৰতিনিধি দলটোক আদৰিবলৈ কেন্দ্ৰীয় পুৰাতত্ব বিভাগ, প্ৰত্নতত্ব সঞ্চালকালয় অসম, শিৱসাগৰ আৰু চৰাইদেউ জিলা প্ৰশাসনৰ লগতে স্থানীয় ৰাইজ সাজু হৈ উঠিছে। উল্লেখযোগ্য যে, অহা ৯ অক্টোবৰৰ বিয়লি পৰ্যন্ত বিশেষজ্ঞৰ দলটোৱে মৈদাম এলেকাৰ বিভিন্ন তথ্য সমল সংগ্ৰহ কৰি ছিংগাপুৰলৈ ৰাওনা হৈছে। ০০০০

০০০০০০০

শিৱসাগৰ জিলাৰ চেঙেলীবাৰী গন্ধীয়া ন-পাম গাঁৱৰ নিলাক্ষী চেতিয়াই নিজৰ ঘৰতে চিৰা মিল স্থাপন কৰি আত্ম সংস্থাপনৰ নিদৰ্শন দাঙি ধৰিছে। কেন্দ্ৰীয় চৰকাৰৰ পি এম এফ এম ই আঁচনিৰ অধীনত লাভ কৰা দুই লাখ টকাৰ ঋণৰ ধনেৰে মহিলাগৰাকীয়ে চলিত বছৰত এই মিল স্থাপন কৰিছিল। মহিলাগৰাকীৰ ঘৰত স্থাপন কৰা এই ক্ষুদ্ৰ উদ্যোগত উৎপাদিত চিৰাই এতিয়া স্থানীয় বজাৰ দখল কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বজাৰ দৃষ্টিপাত অনুষ্ঠানত ডিজিটীয় সুৰক্ষা আৰু নিৰাপত্তা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত কমিউনিকেছন এক্সপাৰ্ট চলিক খান অতিথি হিচাপে উপস্থিত থাকিব।

অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনলʼড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।০০০০০০

০০০০০০০০

চীনৰ হাংচʼঅʼ অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াই শততম পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। কালি মুঠ ৯৬টা পদক অৰ্জন কৰাৰ পাছত আজি ভাৰতে ৪টা পদক লাভ কৰিবলৈ সমৰ্থ হয়। ভাৰতে আজি মহিলাৰ কাবাদী আৰু আৰ্চাৰীত সোণৰ পদক অৰ্জন কৰে। মহিলা কাবাদীৰ ফাইনেলত ছাইনীজ টাইপেক পৰাস্ত কৰি ভাৰতে সোণৰ পদক লাভ কৰে। আনহাতে আৰ্চাৰীৰ ব্যক্তিগত

কম্পাউণ্ড শাখাত ভাৰতে দুটা সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। মহিলাৰ ব্যক্তিগত কম্পাউণ্ড শাখাত ভাৰতৰ জ্যোতি সুৰেখাই সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে অদিদি স্বামীয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শাখাত ওজাছ ডেওতালে সোণৰ পদক অৰ্জন কৰে। এই শাখাত অভিষেক বাৰ্মাই ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। ইপিনে ভাৰতে লাভ কৰা এই চমকপ্ৰদ সফলতাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খেলুৱৈসকলক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে, এচিয়ান গেমছৰ পুৰুষ ক্ৰিকেটৰ ফাইনেলত ভাৰতে আজি আফগানিস্তানৰ বিৰুদ্ধে খেলিব।

oooooo

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অুষ্ঠিত হ'ব। ধৰ্মশালাত পুৱা চাৰে ১০ বজাৰ পৰা হ'বলগীয়া খেলখন আফগানিস্তান বাংলাদেশৰ মুখামুখি হ'ব। দিল্লীত বিয়লি ২ বজাৰ পৰা হ'বলগীয়া আনখন খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব।

ইপিনে, পাকিস্তানে কালি হায়দৰাবাদত অনুষ্ঠিত বিশ্বকাপৰ নিজৰ প্ৰথমখন খেলত নেডাৰলেণ্ডছক ৮১ ৰানত পৰাস্ত কৰে। খেলখনত নেডাৰলেণ্ডছে ২৮৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে পাকিস্তানে প্ৰথমে বেট ধৰি ৪৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৮৬ ৰান সংগ্ৰহ কৰে।

oooooo

সীমাহীন প্ৰতিক্ষা তথা জল্পনা কল্পনাৰ অন্তত আজি ইতিহাস প্ৰসিদ্ধ চৰাইদেউৰ পবিত্ৰ মৈদাম পৰিদৰ্শন কৰিব ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য স্থান মূল্যায়নৰ বিশেষজ্ঞ দলে। '**বিশ্বৰ পৰ্যটন মানচিত্ৰত জিলিক উঠিব চৰাইদেউ মৈদাম**'। এই বাতৰি **অসমীয়া প্ৰতিদিন** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি।

ৰাজ্যৰ উদীয়মান যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়াৰ পৰিবেশ সৃষ্টিৰ মানসেৰে ৰাজ্য চৰকাৰে অহা ১ নৱেম্বৰৰ পৰা ১০ জানুৱাৰীলৈকে অনুষ্ঠিত কৰিবলগীয়া খেল মহাৰণৰ ৫০ লাখ খেলুৱৈয়ে ৫টা ক্ৰীড়াত অংশগ্ৰহণ কৰিব। এই বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কৃত্ৰিম বানত জলমগ্ন গুৱাহাটী, ভূমিস্খলন-পানীৰ ঢলত জলবন্দী জনসাধাৰণৰ প্ৰাত্যহিক জীৱন যাত্ৰা ব্যাহত - **নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত, দৈনিক অসম আৰু দ্যা আসাম ট্ৰিবিউন** কাকতে এই বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

চূড়ান্ত ৰক্ষণশীল মুছলিম দেশ ইৰানৰ মৌলবাদী চৰকাৰৰ বিৰুদ্ধে মহিলাৰ অধিকাৰৰ স্বাৰ্থত অহৰ্নিশে যুঁজ দি অহা কাৰাবন্দী নেত্ৰী নাৰ্গিছ মহম্মদিক ২০২৩ চনৰ শান্তিৰ নোবেল বঁটাৰে বিভূষিত কৰা হৈছে। ইৰানৰ জেল কুঠৰীত নাৰ্গিছ, নাপালে নোবেল বঁটাৰ খবৰ– শিৰোনামেৰে এই বাতৰি **আসামৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দ্যা চেণ্টিনেল** কাকতৰ শিৰোনাম - 20 universities, 338 colleges yet to get NAAC accreditation । বিৰোধী নেতাত লক্ষ্য কৰি পশ্চিমবংগ, কৰ্ণাটক, তামিলনাডুকে আদিকৰি ৫ খন ৰাজ্যত ই ডি আইকৰৰ ব্যাপক তালাচী। এই বাতৰি **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

অনান্য বাতৰিসমূহত আছে - ছেবাৰ ভাৰপ্ৰাপ্ত অধীক্ষক আৰু সহঅধীক্ষকক গ্ৰেপ্তাৰ ভিজিলেন্সৰ, ছিকিমত মৃতকৰ সংখ্যা ৪০ জনলৈ বৃদ্ধি, আবদ্ধ অসমৰ ১৬০ গৰাকী শিক্ষাৰ্থী, উজনিৰ পৰা অনলাইন ব্যৱসায়েৰে কোটি কোটি টকা লুটি ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ পলায়ন, ৯০ শতাংশ সম্পূৰ্ণ হোৱা গেৰুকামুখ

প্ৰকল্পৰ টানেলৰ ছাদ খহি কেইবাজনো শ্ৰমিক আহত আৰু ২ হাজাৰ টকীয়া নোটৰ এতিয়ালৈকে ৯৬ শতাংশ বেংকত জমা – কাইলৈ অন্তিম দিন ।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন। oooooooo

সমাপ্ত